# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-11-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

***::::::: ::::::: :::::::: ::::::::***

ৰাজ্যৰ ৫ টা সমষ্টিত আজি অনুষ্ঠিত উপ নিৰ্বাচন সামগ্ৰিকভাৱে শান্তিপূৰ্ণ আৰু নিয়াৰিকৈ অনুষ্ঠিত হয়। অৱশ্যে কোনো কোনো স্থানত দুই এটা বিক্ষিপ্ত ঘটনা সংঘটিত হয় যদিও এনে ঘটনাই ভোটগ্ৰহণ প্ৰক্ৰিয়াত কোনো ধৰণৰ প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰিলে। নিৰ্বাচন অনুষ্ঠিত বঙাইগাঁও, চামগুৰি, বিহালী, চিদলী আৰু ধলাই সমষ্টিৰ ভোটগ্ৰহণ আজি বিয়লি ৫ বজাত সামৰণি পৰে। এই ভোটগ্ৰহণৰ চূড়ান্ত হাৰ এতিয়াও জানিব পৰা হোৱা নাই যদিও চামগুৰি সমষ্টিত সৰ্বাধিক আৰু বঙাইগাঁও সমষ্টিত সৰ্বনিম্ন ভোটগ্ৰহণ হোৱা বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। নিৰ্বাচন বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে চামগুৰি সমষ্টিত ৭৮ দশমিক ১-০ শতাংশ, বিহালী সমষ্টিত ৭৩ দশমিক ৭-০ শতাংশ, ধলাই সমষ্টিত ৭২ দশমিক ৪-০ শতাংশ, চিদলী সমষ্টিত ৭১ দশমিক ৫-০ শতাংশ আৰু বঙাইগাঁও সমষ্টিত ৬৯ দশমিক ০-৮ শতাংশ ভোটদান হয়। আজি এই পাঁচটা সমষ্টিৰ মুঠ এহেজাৰ ৭৮টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটগ্ৰহণ সম্পন্ন হয়।

আজি ভোটগ্ৰহণৰ লগে লগে ৩৪ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য ই ভি এমত বন্দী হৈছে। ই ভি এমসমূহ কটকটীয়া নিৰাপত্তাৰ মাজেৰে ষ্ট্ৰং ৰূমত ৰখা হৈছে। চিৰাং জিলা প্ৰশাসনে কাজলগাঁও জিলা কেন্দ্ৰত স্থাপন কৰা ষ্ট্ৰংৰূমত ই ভি এমসমূহ ৰখাৰ ব্যৱস্থা কৰা হৈছে। এইবাৰ জিলাখনৰ অন্তৰ্গত চিদলী বিধানসভা সমষ্টিত ৩ গৰাকী প্ৰাৰ্থীৰ ভাগনৈতিক ভাগ্য নিৰ্ণয় হ'ব। আন ৪ টা সমষ্টিৰ ই ভি এমসমূহো কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজত ৰখা হৈছে। এই নিৰ্বাচনৰ ২৩ নৱেম্বৰত ভোটগণনা অনুষ্ঠিত হ'ব।

০০০

ৰাস মহোৎসৱ উদযাপনৰ বাবে উজনিৰ পৰা নামনিলৈ বিভিন্ন জিলাৰ প্ৰান্তে প্ৰান্তে ব্যাপক আয়োজন প্ৰায় সম্পূৰ্ণ হৈছে। সত্ৰভূমি মাজুলীৰ লগতে উজনি অসমৰ কেইবাখনো জিলা আৰু নামনি অসমৰ হাউলী-নলবাৰীকে ধৰি ভালেমান অঞ্চলত পৰম্পৰাগত ৰীতি-নীতিৰে আৰু আড়ম্বৰপূৰ্ণভাৱে ৰাস মহোৎসৱ উদযাপনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। ৰাজ্যখনৰ বিভিন্ন ৰাস উদযাপন সমিতিলৈ ২৫ হাজাৰ টকাকৈ আগবঢ়োৱাৰ বাবে চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি মাজুলীৰ ৰাস উদযাপন সমিতিসমূহলৈ অসম চৰকাৰৰ পৰ্যটন বিভাগে অতিৰিক্ত ৫০ হাজাৰ টকাকৈ আগবঢ়াইছে। আজি কমলাবাৰীৰ সাংস্কৃতিক প্ৰেক্ষাগৃহত মাজুলী জিলাৰ ৰাস সমিতিসমূহক মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আৰ্থিক অনুদান বিতৰণ কৰে। তেওঁ প্ৰতিখন ৰাস উদযাপন সমিতিক পৰিচ্ছন্নতা বজাই ৰাখি এই উৎসৱ উদযাপন কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে মাজুলীৰ ৰাসৰ বৈশিষ্ট্য সম্পৰ্কে উল্লেখ কৰি এই আধ্যাত্মিক উৎসৱৰ অনন্য সুন্দৰ উদযাপনে বহু পৰ্যটকক আকৰ্ষিত কৰে বুলি মন্তব্য কৰে।

০০০

কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ পুৰথিমি আকেমাং শীৰ্ষক অভিলাসী আঁচনিৰ অধীনত আজি পশ্চিম কাৰ্বি আংলঙত দংকামকামত ৰংখাং বিধানসভা সমষ্টিৰ ৰাইজৰ মাজত ভূমি পট্টা বিতৰণ কৰা হয়। সাংসদ

অমৰ সিং টিছোৱে কেইবাগৰাকী বিধায়কৰ উপস্থিতিত কমেও ২০ হাজাৰ লোকৰ মাজত ভূমিপট্টা বিতৰণ কাৰ্যসূচী শুভাৰম্ভ কৰে। এই অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং উপস্থিত থাকে।

০০০

অসম ৰাজ্যিক শিশু সুৰক্ষা চোছাইটিৰ পৃষ্ঠপোষকতাত আৰু দৰং জিলা শিশু সুৰক্ষা গোটৰ উদ্যোগত আজি মঙলদৈত শিশু সুৰক্ষা বিষয়ক দিনযোৰা প্ৰশিক্ষণ অনুষ্ঠিত হয়। জিলা আইন সেৱা প্ৰাধীকৰণৰ সহযোগিতাত আয়োজিত এই কাৰ্যসূচীত সমল ব্যক্তিসকলে শিশু শ্ৰম, শিশুৰ অবৈধ সৰবৰাহ, বাল্য বিবাহ, শিশুৰ ওপৰত যৌন নিৰ্যাতন, শিক্ষকৰ ভূমিকা, চাইবাৰ নিৰাপত্তাৰ উপায় আদি সম্পৰ্কত প্ৰশিক্ষণ দিয়ে। এই কাৰ্যসূচীত জিলাখনৰ ভালেসংখ্যক শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০

গোৱালপাৰা জিলাৰ শোলমাৰীত আজি জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা আৰু জিলা কোচ ৰাজবংশী মহিলা পৰিষদে ৰূপায়ণ কৰা প্ৰতিবাদী কাৰ্যসূচীত আৰক্ষীয়ে বাধা দিয়াক লৈ কিছু অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হয়। কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণ আৰু পৃথক কমতাপুৰ ৰাজ্য পুনৰ গঠনৰ দাবীত এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছিল। অৱশ্যে জিলাখনৰ অতিৰিক্ত আৰক্ষী অধীক্ষকৰ নেতৃত্বত অহা আৰক্ষীৰ দলে তৎপৰভাৱে পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।

০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি ছেঞ্চুৰীয়ানত অনুষ্ঠিত হৈছে। টছত জিকি দক্ষিণ আফ্ৰিকাই প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। ভাৰতে প্ৰথমে বেট ধৰি এই বাতৰি যুগুতোৱাৰ পৰলৈ ৯ অভাৰ ২ টা বলত ২ টা উইকেট হেৰুৱাই ১০৯ ৰাণ সংগ্ৰহ কৰি খেলি আছিল।

০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড° বুদ্ধপ্ৰসাদ চেতিয়াৰ আজি গুৱাহাটীৰ বেলতলাৰ বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৬ বছৰ। প্ৰখৰ মেধাসম্পন্ন চেতিয়াই শিৱসাগৰত প্ৰাথমিক আৰু হাইস্কুলীয়া শিক্ষা গ্ৰহণ কৰাৰ পাছত তেতিয়াৰ কটন কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। ইয়াৰ পাছত এলাহাবাদ বিশ্ববিদ্যালয়ৰ পৰা গণিত বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ১৯৭১ চনত ইংলেণ্ডৰ বাৰ্মিংহাম বিশ্ববিদ্যালয়ৰ পৰা পি এইচ ডি ডিগ্ৰী লাভ কৰা চেতিয়াই ১৯৭৪ চনত প্ৰথমে গণিত বিষয়ৰ ৰিডাৰ আৰু পাছলৈ অধ্যাপক পদত নিয়োজিত হৈ ২০০০ চনত চাকৰীৰ পৰা অৱসৰ গ্ৰহণ কৰে। গণিতৰ ইতিহাসৰ কৰ্মবিকাশকে ধৰি কেইবাখনো গুৰুত্বপূৰ্ণ গ্ৰন্থ আৰু প্ৰবন্ধ ৰচনাৰে তেওঁ অৱদান আগবঢ়াই গৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য অধ্যাপক ড° ননীগোপাল মহন্তই চেতিয়াৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। আজি নৱগ্ৰহ শ্মশানত চেতিয়াৰ শেষকৃত্য সম্পন্ন কৰা হয়।

০০০

**ঃঃ সমাপ্ত ঃঃ**